# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 0755 Hrs

## *Assamese Morning Bulletin*
## Headlines
-------------------

উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা,স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। মাধ্যমিক শিক্ষাৰ বাবে আজিৰ পৰা ৯ আগষ্টলৈ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল।

উল্লেখযোগ্য যে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি কালি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আবেদনপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। কালিৰ কেন্দ্ৰীয় কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্ত উপস্থিত থাকে।

আনহাতে ৰাজ্যৰ আন আন প্ৰান্তত মন্ত্ৰী, বিধায়কে এই কাৰ্যসূচীৰ উদ্বোধন কৰে। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে বিভিন্ন জনকল্যাণমূলক আঁচনিৰ জৰিয়তে সমাজৰ সকলো স্তৰৰ লোকৰ কল্যাণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। টিয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ত বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আৰু লখিমপুৰ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিধায়ক মানৱ ডেকাই আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০০০০০

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। আৰক্ষী, বন বিভাগৰ লোকে কালি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। কালি প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰীবিল অঞ্চল খালী কৰাৰ বাবে অন্তিমবাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে, নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলত ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিয়ে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সময়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে।

ইপিনে, উত্তৰ-পূব ছাত্ৰ সংগঠন অৰ্থাৎ নেছৱে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ পৰা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ দাবী জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ সমৰ্থন আগবঢ়াইছে। কালি গুৱাহাটীত অনুষ্ঠিত সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত জনসংখ্যা বৃদ্ধিৰ কাৰণ বিচাৰি উলিয়াবলৈ নেছৱে আটাইকেইখন ৰাজ্যৰ চৰকাৰৰ বিশেষ পৰ্যালোচনা সমিতি গঠন কৰিবলৈ দাবী জনাব।

০০০০০০০০

ৰাজ্য চৰকাৰে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা ৬টা ধৰ্মাৱলম্বী লোকৰ বিৰুদ্ধে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ জাৰী কৰিছে। এই অনুসৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে অসমত প্ৰৱেশ কৰা হিন্দু, খ্ৰীষ্টান, বৌদ্ধ, শিখ, পাৰ্চী আৰু জৈন ধৰ্মাৱলম্বী লোকৰ গোচৰসমূহ প্ৰত্যাহাৰ কৰা হ'ব। দিছপুৰত যোৱা ১৭ জুলাইত অনুষ্ঠিত গৃহ আৰু ৰাজনৈতিক বিভাগৰ এখন বৈঠকত ৰাজ্যৰ ১০০ খন বিদেশী নায়াধীকৰণত ৰুজু হৈ থকা এই ৬টা ধৰ্মাৱলম্বী লোকসকলৰ গোচৰসমূহ প্ৰত্যাহাৰৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাজ্য চৰকাৰে এই বিষয়টোৰ ক্ষেত্ৰত বিদেশী ন্যায়াধীকৰণসমূহৰ লগতে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ জাননী জাৰি কৰিছে। এই জাননীত গোচৰসমূহ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে বিদেশী ন্যায়াধীকৰণত ৰুজু হৈ থকা গোৰ্খা আৰু কোচ-ৰাজবংশীসকলৰ বিৰুদ্ধে গোচৰসমূহ প্ৰত্যাহাৰ কৰিবলৈও ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে।

০০০০০০০০

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হ'ব। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাজ্যবাসীক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

উল্লেখযোগ্য যে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ হোৱা স্বদেশী আন্দোলনে থলুৱা উদ্যোগ আৰু বিশেষকৈ তাঁতশিল্পক উৎসাহিত কৰিছিল। দেশৰ আৰ্থসামাজিক উন্নয়নত হস্ততাঁত বয়ন শিল্পৰ অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ২০১৫ চনৰ পৰা ৭ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক বয়ন শিল্পই গ্ৰামাঞ্চলৰ বহু লোকক আৰ্থিকভাৱে সবল কৰি তোলাত প্ৰত্যক্ষভাৱে সহায় কৰি আহিছে।

০০০০০০০০

অসমৰ যুৱ চিত্ৰশিল্পী ভাস্কৰজ্যোতি গগৈলৈ তেওঁৰ নষ্টালজিক ডেষ্ট্ৰাকচন শীৰ্ষক ছবিখনৰ বাবে ৰাষ্ট্ৰীয় ললিত কলা এডাডেমী বঁটা আগবঢ়োৱা হৈছে। কালি ললিত কলা একাডেমীয়ে নতুন দিল্লীত আয়োজন কৰা ৭১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পদ্মবিভূষণ সন্মানেৰে সন্মানিত স্বনামধন্য শিল্পী ৰামভি সূতৰে এই বঁটা প্ৰদান কৰে। কেনভাছত এক্ৰেলিক মাধ্যমত অংকন কৰা এই ছবিখন দেশৰ ২০ জন নিৰ্বাচিত শিল্পীৰ শিল্পকৰ্মৰ অন্যতম শ্ৰেষ্ঠ শিল্পকৰ্মৰূপে বিবেচিত হৈছে। ৰাষ্ট্ৰীয় ললিত কলা এডাডেমীয়ে প্ৰতি বছৰে আগবঢ়োৱা শিল্পকলাৰ এই অন্যতম শ্ৰেষ্ঠ সন্মান লাভ কৰা শ্ৰীগগৈ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ৰ চিত্ৰকলা বিভাগৰ অধ্যাপক। শিৱসাগৰ জিলাৰ গেলেকীত জন্মগ্ৰহণ কৰা গগৈৰ এই সফলতাৰ বাবে ললিত কলা শিল্পী সমিতি, অসমে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০০

সমাপ্ত